***তিনিবছৰীয়া কলা, বাণিজ্য, বিজ্ঞান, বি.ভক প্ৰথম (বকেয়া), তৃতীয় আৰু পঞ্চম ষান্মাসিক ২০২২ পৰীক্ষাৰ সন্মানীয় ভাৰপ্ৰাপ্ত বিষয়া প্ৰমুখ্যে সংশ্লিষ্ট সকলো পক্ষৰ জ্ঞাতাৰ্থে**

ওপৰত উল্লেখিত পৰীক্ষাসমূহৰ অনলাইন প্ৰ-পত্ৰ পূৰণৰ অন্তিম তাৰিখ যোৱা ১৪ নবেম্বৰ, ২০২২ ত অন্ত পৰাৰ পিছতো আজিৰ দিনটোত কেইগৰাকীমান ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণ কৰিব নোৱাৰাৰ খৱৰ পোৱা গৈছে।

এনে কেইগৰাকীমান পৰীক্ষাৰ্থীয়ে পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণ চলি থকাৰ খৱৰ নোপোৱাৰ অজুহাত দেখুৱাই প্ৰ-পত্ৰ পূৰণৰ বাবে দৰ্খাস্ত লৈ বিশ্ববিদ্যালয়লৈ অহা পৰিলক্ষিত হৈছে।
চতুৰ্থবাৰৰ বাবে প্ৰ-পত্ৰ পূৰণৰ সময় বৃদ্ধি কৰি ২৩ দিন পৰ্যন্ত প্ৰ-পত্ৰ পূৰণৰ সুযোগ প্ৰদানৰ খৱৰ বাতৰি-কাকত, দুৰদৰ্শন,

প্ৰদানৰ খৱৰ বাতৰি-কাকত, দুৰদৰ্শন, ইন্টাৰনেট, সামাজিক মাধ্যমত বহুলভাৱে প্ৰচাৰ কৰাৰ পিছতো কেইগৰাকীমান পৰীক্ষাৰ্থীয়ে খৱৰ নোপোৱাতো অতি সন্দেহজনক। সম্প্ৰতি এনে একাংশৰ অ-মনোযোগিতা আৰু অ-সহযোগিতাৰ বাবে সমগ্ৰ ব্যৱস্থাটোৰ সংস্কাৰৰ প্ৰচেষ্টাত বাধাৰ সৃষ্টি হোৱাৰ উপক্ৰম হৈছে।
এক আসোঁৱাহ বিহীন পৰীক্ষাৰ ফলাফল প্ৰস্তুতিৰ প্ৰথম স্তৰতেই এইসকল পৰীক্ষাৰ্থীয়ে প্ৰ-পত্ৰ পূৰণ কৰিবলৈ থাকি যোৱা কথাটোৱে যাতে পুনৰ এক অবাঞ্চিত পৰিবেশৰ সৃষ্টি নকৰে , তাৰ প্ৰতি লক্ষ্য ৰাখি অহাকালি (১৬ নবেম্বৰ) তাৰিখে দিনৰ ১০ বজাৰ পৰা বিয়লি ২ বজালৈ শেষবাৰৰ বাবে পৰীক্ষাৰ অনলাইন প্ৰ-পত্ৰ পূৰণৰ সংযোগ খোলা ৰাখি এইসকল পৰীক্ষাৰ্থীক অন্তিম বাৰৰ বাবে প্ৰ-পত্ৰ পূৰণৰ সুযোগ দিয়াৰ ব্যৱস্থা কৰা হৈছে।

উল্লেখযোগ্য যে এই সময় উকলি যোৱাৰ পিছত কোনো পৰীক্ষাৰ্থীকে পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ সুযোগ দিয়া নহ'ব।

স্বাক্ষৰ-
পৰীক্ষা সমূহৰ উপ-নিয়ন্ত্ৰক, গুৱাহাটী বিশ্ববিদ্যালয়

10:27 PM